JULY 3: ANNUAL CELEBRATION

ভাৰতীয় খ্ৰীষ্টিয় দিৱস
যীচু ভক্তি দিৱস

ভাৰতত প্ৰভু যীচু খ্ৰীষ্টৰ সোঁৱৰণ আৰু উদযাপনৰ এটা দিন।

INDIAN CHRISTIAN DAY
yeshu bhakti divas

indianchristianday.com

প্ৰেম
সেৱা
উদযাপন

সাধু থোমা

ভাৰতলৈ অহা পাচনি

৩ জুলাই দিনটোক প্ৰভু যীচু খ্ৰীষ্টৰ শিষ্য তথা ভাৰতলৈ অহা পাচনি থোমাৰ স্মৃতিত স্বহীদ দিৱস হিচাপে পৰস্পৰাগতভাৱে উদযাপন কৰিবলৈ স্বীকৃতি দিয়া হৈছে। তেওঁ ৫২ খ্ৰীষ্টাব্দত ভাৰতলৈ আহিছিল আৰু ৭২ খ্ৰীষ্টাব্দত চেন্নাইৰ ওচৰতে স্বহীদ হৈছিল।

দৰ্শন

ভাৰতীয় সাংস্কৃতিক ঐতিহ্যৰ ভিতৰত আমাৰ পৰিচয় সংৰক্ষণ কৰি একতা বৃদ্ধি কৰি প্ৰভু যীচু খ্ৰীষ্টৰ ব্যক্তিত্ব আৰু ৫২ খ্ৰীষ্টাব্দত পাচনি সাধু থোমাৰ দ্বাৰা ভাৰতলৈ অনা তেওঁৰ বাৰ্তাসমুহ উদযাপন কৰিবলৈ।

গোলকীয় আন্দোলন:

ভাৰত আৰু সমগ্ৰ বিশ্বতে সিচৰিত হৈ থকা প্ৰভু যীচু খ্ৰীষ্টৰ বন্ধু আৰু অনুগামী সকল।

প্ৰেম
সেৱা
উদযাপন

৩ জুলাই, উদযাপন

- সামূহিক সেৱা
- স্বাস্থ্য / সাক্ষৰতা শিবিৰ
- খাদ্য আৰু বস্ত্ৰ বিতৰণ
- পৰিৱেশ পৰিষ্কাৰ
- কৰ্মশালা, প্ৰতিভা বিকাশৰ অনুষ্ঠান
- ভাৰতীয় নৃত্য আৰু সংগীত
- বিভিন্ন কাৰ্যসূচী আৰু উৎসৱ উদযাপন

আৰু অন্যান্য বহুতো...!

৩ জুলাই, ২০২১ ঘোষণা

ভাৰতীয় খ্ৰীষ্টিয় দিৱস / যীচু ভক্তি দিৱস

প্ৰভু যীচু খ্ৰীষ্টৰ ভাৰতীয় মূলৰ অনুগামীসকলৰ বাবে, যীচু খ্ৰীষ্টৰ ব্যক্তিত্ব আৰু বাৰ্তাসমুহ উদযাপন কৰাৰ অৰ্থে প্ৰতিবছৰে ৩ জুলাই ২০২১ তাৰিখে ভাৰতীয় খ্ৰীষ্টিয় দিৱস (যীচু ভক্তি দিৱস) হিচাপে ঘোষণা কৰা হৈছে। এই বাৰ্তাসমুহ যীচুৰ বাৰজন শিষ্যৰ মাজৰ এজন শিষ্য পাচনি থোমাৰ দ্বাৰা ৫২ খ্ৰীষ্টাব্দত ভাৰতলৈ অনা হৈছিল।

৭২ খ্ৰীষ্টাব্দৰ এই দিনটোতেই চেন্নাইৰ ওচৰতে এই পাঁচনিজন শ্বহীদ হোৱাৰ স্মৃতিত ঐতিহাসিকভাৱে ছেইণ্ট থমাছ দিৱস হিচাপে পালন কৰি অহা হৈছে। ৩ জুলাই দিনটোক চিহ্নিত কৰি ২০২১ চনৰ পৰা প্ৰতি বছৰে এই দিনটোত আমি প্ৰভু যীচুৰ অনুগামী হিচাপে, ভাৰতীয় সাংস্কৃতিক ঐতিহ্যৰ ভিতৰত আমাৰ পৰিচয় সংৰক্ষণ ৰাখি বিভিন্ন ভাষা, ৰীতি-নীতি, ধৰ্ম, অঞ্চল বা ধৰ্ম নিৰ্বিশেষে উদযাপন কৰিবলৈ বিচৰা সকলোৰে সৈতে একত্ৰিত হওঁহক।

৩ জুলাই, ২০২১ তাৰিখৰ দিনা ভাৰতীয় খ্ৰীষ্টিয় দিৱস (যীচু ভক্তি দিৱস) উদযাপনৰ শুভাৰম্ভ কৰা হ'ব। যি প্ৰভু যীচুৰ শিক্ষা আৰু জীৱনশৈলীয়ে ভাৰত আৰু বিশ্বখনক নতুন ৰূপেৰে গঢ় দিয়াত আৰু পৰিৱৰ্তন সাধন কৰাত সহায় কৰি আহিছে, পৃথিৱীত সেই প্ৰভু যীচু খ্ৰীষ্টৰ পৰিচৰ্য্যাৰ ২০০০ তম বাৰ্ষিকীৰ সন্মানাৰ্থে এই উদযাপনৰ দশক (২০২১-২০৩০) আৰম্ভ কৰা হ'ব।

উদযাপনৰ দশক (২০২১-২০৩০)

যীচু খ্ৰীষ্টৰ শিক্ষা আৰু জীৱনশৈলীয়ে ভাৰত আৰু বিশ্বখনক এক নতুন ৰূপত গঢ় দিয়াত আৰু পৰিৱৰ্তন সাধন কৰাত সহায় কৰি আহিছে, পৃথিৱীত সেই যীচু খ্ৰীষ্টৰ পৰিচৰ্য্যাৰ ২০০০ তম বাৰ্ষিকীৰ সন্মানাৰ্থে এই দশকজোৰা উদযাপন।

Free Materials & Downloads
indianchristianday.com